**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-12-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::

১। ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত হোৱা চাৰিগৰাকী মন্ত্ৰীক কাইলৈ দপ্তৰ বিতৰণ। পুৰণি কেইবাগৰাকী মন্ত্ৰীৰো দপ্তৰ সালসলনিৰ সম্ভাৱনা।

২। ব্ৰহ্মপুত্ৰৰ ওপৰত হ'বলগীয়া পলাশবাৰী-শুৱালকুছি সংযোগী দলঙৰ ভূমি পূজন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত সম্পন্ন।

৩। দুদিনীয়া কাৰ্যসূচীৰে অসম আৰক্ষীৰ বৰ্তমানৰ আৰু প্ৰাক্তন শীৰ্ষ বিষয়াসকলৰ পুনৰমিলন সন্মিলন। সামৰণি অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ অংশগ্ৰহণ।

৪। ৰাজ্যৰ ২৭খন জিলাত আজিৰে পৰা উপ-ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক অভিযান।

**আৰু**

৫। এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচত তৃতীয় দিনতে ভাৰতৰ ১০ উইকেটত পৰাজয়।

oooooo

পলাশবাৰীৰ সৈতে শুৱালকুছিৰ সংযোগ স্থাপনৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া চাৰিলেনযুক্ত দলঙৰ আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভূমিপূজন কৰে। বিষ্ণুৰাম মেধিৰ নামেৰে এইখন দলঙৰ নামকৰণ কৰা হৈছে। ৩ হাজাৰ ১৯৭ কোটি টকা প্ৰকল্প ব্যয়ৰে চাৰিটা লেন থকাকৈ নিৰ্মাণৰ বাবে আৰ্হি প্ৰস্তুত কৰা হৈছে। যান-বাহনে ঘণ্টাত ১০০ কিলোমিটাৰ বেগেৰে গতি কৰিব পৰাকৈ দলঙখনৰ আৰ্হি প্ৰস্তুত কৰা হৈছে। ২০২৮ চনৰ ভিতৰত দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হ'ব। দলংখন সম্পূৰ্ণ হ'লে পলাশবাৰী আৰু শুৱালকুছিৰ ৰাইজৰ বহুদিনীয়া আশা পূৰণ হব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তদুপৰি যাত্ৰাৰ সময় আৰু যাতায়াত ব্যয়ো হ্ৰাস হব বুলি তেওঁ উল্লেখ কৰে। বস্ত্ৰনগৰী শুৱালকুছিৰ পৰ্যটনৰ ক্ষেত্ৰখনকো ই সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। লুইতৰ উত্তৰ পাৰৰ শুৱালকুছি আৰু দক্ষিণ পাৰৰ পলাশবাৰীক সংযোগ কৰিবলগীয়া এই গ্ৰীণফিল্ড প্ৰকল্পই পলাশবাৰী আৰু শুৱালকুছিৰ সামগ্ৰিক উন্নয়নৰ কাম-কাজ সামৰি লব। কামৰূপ মহানগৰৰ পশ্চিম অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰা, শুৱালকুছি আৰু ইয়াৰ কাষৰীয়া জিলাসমূহৰ পৰা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰলৈ পোনপটীয়া সংযোগৰ সুবিধা, উচ্চ শিক্ষানুষ্ঠান আৰু উন্নত চিকিৎসা সেৱা লাভৰ ক্ষেত্ৰত দুয়োপাৰৰ জনসাধাৰণৰ বাবে সুচল যাতায়াত আৰু গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ যান-জঁট তথা বায়ু প্ৰদূষণ ৰোধৰ বাবেও এই প্ৰকল্পৰ জৰিয়তে প্ৰয়াস কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আজি শুৱালকুছিত উপস্থিত হৈ বিজেপিৰ শুৱালকুছি মণ্ডলৰ নৱনিৰ্মিত কাৰ্যালয়টো

মুকলি কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে সমাগত পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে মিত্ৰ দলসমূহৰ সৈতে সমষ্টি পৰ্যায়ত মিত্ৰতা অব্যাহত ৰাখিব বুলি মন্তব্য কৰে।

০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে শপত গ্ৰহণ কৰা চাৰিগৰাকী নতুন মন্ত্ৰীক দপ্তৰ বিতৰণ কৰিব। নতুন মন্ত্ৰীক দপ্তৰ বিতৰণ কৰাৰ লগতে মন্ত্ৰীসভাৰ পুৰণি মন্ত্ৰীসকলৰো দপ্তৰ সাল-সলনি হ'ব। একাধিক দপ্তৰ থকা মন্ত্ৰীয়ে দপ্তৰ হেৰুৱাব পাৰে। উল্লেখযোগ্য যে শনিবাৰে প্ৰশান্ত ফুকন, ৰূপেশ গোৱালা, কৃষ্ণেন্দু পাল আৰু কৌশিক ৰায় মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। মুখ্যমন্ত্ৰী শৰ্মাই কাইলৈ ১২ বজাৰ আগতে দপ্তৰ বিতৰণ কৰা হ'ব বুলি মন্তব্য কৰিছে।

০০০

গুৱাহাটীৰ উলুবাৰীত থকা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে অসম আৰক্ষীৰ বৰ্তমানৰ আৰু প্ৰাক্তন শীৰ্ষ বিষয়াসকলৰ পুনৰমিলন সন্মিলন অনুষ্ঠিত হয়। কালিৰে পৰা হোৱা সন্মিলনখনৰ আজি বিয়লি সামৰণি পৰে। সামৰণি অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থাকে। অসম আৰক্ষীৰ বৰ্তমানৰ আৰু প্ৰাক্তন শীৰ্ষক বিষয়াসকলে পুনৰমিলন সন্মিলনত অংশগ্ৰহণ কৰি আৰক্ষীয়ে সন্মুখীন হোৱা বিভিন্ন পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধানসকলৰ অভিজ্ঞতাৰে অনাগত সময়ত ৰাজ্যখনৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ ক্ষেত্ৰত কেনেদৰে ত্বৰান্বিত কৰিব পাৰি সেই বিষয়েও বৈঠকত আলোচনা কৰা হয়। প্ৰথম বাৰৰ বাবে অনুষ্ঠিত হোৱা এই সন্মিলনৰ সামৰণি অনুষ্ঠানত ভাগ লৈ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসম আৰু মেঘালয় কেডাৰৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধানসকলৰ সৈতে মিলিত হয়। লগতে অসম আৰক্ষীক উদ্দেশ্যি ৰাজ্যপালগৰাকীয়ে সকলোৰে মিলি নতুন কিবা এটা কৰাৰ বাবে আহ্বান জনায়।

০০০

উত্তৰ-পূৰ্বাঞ্চলৰ চহকী ঐতিহ্য আৰু বৈচিত্ৰৰ প্ৰসাৰ আৰু সংৰক্ষণৰ বাবে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত অষ্টলক্ষ্মী মহোৎসৱৰ আজি সামৰণি পৰিব। এই মহোৎসৱত ২৫০গৰাকীৰো অধিক শিল্পীয়ে হস্তশিল্প, হস্ততাঁত, বস্ত্ৰ, উদ্যানশস্যৰ উপৰি ৩৪ বিধ ভৌগলিক সূচ্যাংক অৰ্থাৎ জি আই টেগ থকা সামগ্ৰী প্ৰদৰ্শন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই মহোৎসৱত উত্তৰ পূৰ্বৰ বৰ্ণাঢ্য সংস্কৃতি, হস্ততাঁত বস্ত্ৰ, আৰু পৰ্যটনৰ সম্ভাৱনাময় চিত্ৰ প্ৰদৰ্শন কৰাৰ বাবে প্ৰশংসা কৰিছে। সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে এই বিষয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে যোগাযোগ, ডিজিটেল অন্তৰ্ভুক্তি আৰু বিনিয়োগ আন্তঃগাথনিৰ দিশত দ্ৰুত গতিৰে বিকাশ লাভ কৰিছে বুলি মন্তব্য কৰে।

০০০

চৰাইদেউ মৈদামক ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰত স্থান লাভ কৰাৰ পাছতে মৈদামটোত বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে। বিশেষকৈ বিগত অক্টোবৰৰ পৰা চৰাইদেউ মৈদাম ক্ষেত্ৰলৈ ইটালী, স্পেইন, থাইলেণ্ড, আমেৰিকাকে ধৰি বিভিন্ন দেশৰ পৰ্যটকৰ আগমন ঘটিছে। মৈদামৰ স্থাপত্যকলা আৰু প্ৰাকৃতিক সৌন্দৰ্যই বিদেশী পৰ্যটকসকলকো আপ্লুত কৰিছে। ইটালীৰ এদল পৰ্যটকক লৈ চৰাইদেউ মৈদামলৈ অহা এগৰাকী ট্যুৰিষ্ট গাইডে সমাধি ক্ষেত্ৰ পৰিদৰ্শন কৰি আপ্লুত হৈ বিশ্বৰ ভিন্ন প্ৰান্তৰ পৰ্যটকক চৰাইদেউ ভ্ৰমণৰ বাবে আহ্বান জনাইছে। আনহাতে, প্ৰত্নতত্ব সঞ্চালকালয় অসমৰ পুৰাতত্ব সংৰক্ষক কংকনজ্যোতি শইকীয়াই চৰাইদেউ মৈদামৰ বিদেশী পৰ্যটকৰ বিষয়ে এইদৰে কয়-

ঃৰাইটঃ

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

ৰাজ্যৰ ২৭ খন জিলাত আজিৰে পৰা উপ ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক অভিযান ৰূপায়ণ কৰা হৈছে। গোৱালপাৰা জিলাত আজিৰে পৰা ৩ দিনীয়াকৈ পলিঅ' প্ৰতিষেধক অভিযান অনুষ্ঠিত হৈছে। জিলাখনৰ আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে আজি গোৱালপাৰা চহৰত থকা প্ৰসুতি আৰু শিশু স্বাস্থ্য কেন্দ্ৰত এই অভিযানৰ শুভাৰম্ভ কৰে। জিলা প্ৰতিষেধক বিষয়া ডাঃ জয়দীপ ভট্টাচাৰ্যই প্ৰকাশ কৰা মতে, জিলাখনত জন্মৰ পৰা ৫ বছৰ বয়সৰ ২ লাখ ১০ হাজাৰৰো অধিক শিশুক এই বিশেষ অভিযানৰ জৰিয়তে পলিঅ' প্ৰতিষেধক দিয় হব। আজি জিলাখনৰ ৯২৩ টা কেন্দ্ৰত এই প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই কাৰ্যসূচীত বাদ পৰি যোৱা শিশুসকলক কাইলৈ আৰু পৰহিলৈ স্বাস্থ্য কৰ্মীসকলে ঘৰে ঘৰে গৈ প্ৰতিষেধক প্ৰদান কৰিব বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। শিৱসাগৰ জিলাৰ ৫৫০ টা কেন্দ্ৰত ৫ বছৰ পৰ্যন্ত বয়সৰ শিশুসকলক প্ৰতিষেধক প্ৰদান কৰা হৈছে। স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই অভিযানৰ দ্বাৰা জিলাখনৰ ৯৭ হাজাৰ ৭২৬ টি শিশুক পলিঅ' প্ৰতিষেধক দিয়া হব। পৰহিলৈ সামৰণি পৰিবলগীয়া এই অভিযান সফল কৰি তোলাৰ বাবে জিলাখনৰ স্বাস্থ্য বিভাগে প্ৰতিটো বিভাগক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। কাৰ্বি আংলং জিলাতো আজি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে ডিফুৰ ৰংথেআঙত জিলা পৰ্যায়ৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অভিযানৰ ৯২ হাজাৰ শিশুক দুপালিকৈ পলিঅ' প্ৰতিষেধক খুওৱা হব। জিলাখনত ইয়াৰ বাবে ২ হাজাৰ স্বাস্থ্য কৰ্মী নিয়োগ কৰা হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

দৰং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত জিলাখনত উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনত এইবাৰ এক লাখ ৪০ হাজাৰৰো অধিক শিশুক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে। চিৰাং জিলাত ৬৯ হাজাৰৰো অধিক শিশুক এইবাৰ পলিঅ' প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে। জিলাখনত আজি ৪৩৮ টা কেন্দ্ৰত এই কাৰ্যসূচী অনুষ্ঠিত হৈছে। ধুবুৰী জিলাৰ ৩ লাখৰো অধিক শিশুক এই প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে। একেদৰে বঙাইগাওঁ জিলাত ৫ বছৰ পৰ্যন্ত বয়সৰ ১ লাখ ১২ হাজাৰৰো অধিক শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰিবলৈ লোৱা হৈছে। আজি অতিৰিক্ত জিলা আয়ুক্ত দিম্পী গগৈয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

০০০

আজিৰে পৰা মঙলদৈৰ গান্ধী ময়দানত মঙলদৈ গ্ৰন্থমেলা আৰম্ভ হৈছে। আজি বিয়লি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে। উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ তথা ৰাজ্যসভাৰ

সাংসদ ৰঞ্জন গগৈ আৰু দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ দিলিপ শইকীয়াই মুখ্য অতিথি হিচাপে উপস্থিত থকা এই গ্ৰন্থমেলা উদ্বোধন কৰি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে, ব্যক্তিৰ সফলতা তেওঁৰ মৃত্যুৰ লগে লগে হেৰাই যায় যদিও লেখক-সাহিত্যিকৰ সফলতা তেওঁলোকৰ গ্ৰন্থৰ জৰিয়তে মৃত্যুৰ পাছতো উত্তৰ পুৰুষৰ বাবে ৰৈ যায়। সপ্তাহযোৰা এই গ্ৰন্থমেলাত ৰাজ্যখনৰ কেইবাটাও গ্ৰন্থ প্ৰকাশন আৰু বিক্ৰেতা প্ৰতিষ্ঠানৰ লগতে ৰাজ্যৰ বাহিৰৰো কেইবাটাও প্ৰকাশন প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে বুলি আমাৰ মঙলদৈৰ সংবাদদাতাই জনাইছে।

০০০

মৰিগাওঁ জিলাৰ পবিতৰাত আজি পুৰা উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত আটাইতকৈ দীৰ্ঘ দূৰত্বৰ দৌৰ প্ৰতিযোগিতা - আনভাইন্স ৰাণ ফৰ দ্যা ৰাইনো, পবিতৰা আলট্ৰা ৰাণৰ আয়োজন কৰা হয়। অসমত তৃতীয়বাৰৰ বাবে অনুষ্ঠিত এই প্ৰতিযোগিতাৰ পূৰ্বে কাজিৰঙাত দুবাৰকৈ ৫২ কিলোমিটাৰ দূৰত্বৰ এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। পবিতৰাত ৬২ কিলোমিটাৰলৈ আয়োজিত এই প্ৰতিযোগিতাৰ দ্বাৰা গড় সংৰক্ষণৰ দিশত সজাগতা সৃষ্টিৰ লক্ষ্য লোৱা হৈছিল। মুম্বাইৰ এটা স্বেচ্ছাসেৱী অনুষ্ঠানে অসমত এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ইথিঅ'পিয়াৰ কেইবাগৰাকীও প্ৰতিযোগীসহ মুঠ ৫ শতাধিক প্ৰতিযোগীয়ে অংশ লয়। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন দীৰ্ঘ দূৰত্বৰ দৌৰবিদ ডাঃ শান্তনু দত্ত এই প্ৰতিযোগিতাৰ ৰেচ ডাইৰেক্টৰ হিচাপে উপস্থিত থাকে। পবিতৰা অভয়াৰণ্যৰ চাৰিওফালে ৩১ কিলোমিটাৰ পথ সামৰি দুবাৰকৈ এই দৌৰ অনুষ্ঠিত হয়। এই কাৰ্যসূচী সন্দৰ্ভত উদ্যোক্তা প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপক নিশিকান্ত দাসে এইদৰে কয়।

বাইট

০০০

দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ অন্তৰ্গত তেজপুৰ বিধানসভা সমষ্টিত সমষ্টি পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আজি আৰম্ভ হয়। তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই তেজপুৰ প'ল' খেলপথাৰত আয়োজিত দ্বিতীয় খেল মহাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৩খন গাঁও পঞ্চায়ত আৰু এটা নগৰীয় স্থানীয় নিকায়ৰ প্ৰায় ৩ হাজাৰ প্ৰতিযোগীয়ে দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণত অংশগ্ৰহণ কৰিছে।

একেদৰে তামুলপুৰ জিলাত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ ভি চি ডি চি পৰ্যায়ৰ প্ৰতিযোগিতা সামৰণি পৰাৰ পাছত সমষ্টিভিত্তিক প্ৰতিযোগিতাৰ বাবে জিলা প্ৰশাসন সাজু হৈছে। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্ত্তীয়ে প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি জিলাখনৰ তামুলপুৰ বিধানসভা সমষ্টিত ১০ৰ পৰা ১৪ ডিচেম্বৰলৈ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিত ১৭ৰ পৰা ২১ ডিচেম্বৰলৈ খেল প্ৰতিযোগিতাসমূহ হ'ব।

০০০

এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচত অষ্ট্ৰেলিয়াই ভাৰতক ১০ উইকেটত পৰাস্ত কৰে। আজি তৃতীয় দিনা ভাৰতে ৫ উইকেটৰ বিনিময়ত ১২৮ ৰানৰ পৰা দ্বিতীয় ইনিংছত খেল আৰম্ভ কৰি আটাইকেইটা উইকেট হেৰুৱাই ১৭৫ ৰাণ কৰি ১৯ ৰাণৰ লক্ষ্য বান্ধি দিয়ে। অষ্ট্ৰেলিয়াই ৩ অভাৰ ২ টা বলত কোনো উইকেট নেহেৰুৱাকৈ ভাৰতে বান্ধি দিয়া লক্ষ্যত উপনীত হয়। অষ্ট্ৰেলিয়াৰ ট্ৰেভিজ হেদে খেলখনত মেন অৱ দ্যা মেচৰ খিতাপ লাভ কৰে। এই জয়ৰ সৈতে ৫ খনীয়া টেষ্ট শৃংখলাটোত অষ্ট্ৰেলিয়াই ভাৰতৰ সৈতে ১-১ পইণ্টেৰে সমতা স্থাপন কৰিছে ।

০০০

ভাৰত আজি ওমানৰ মাস্কতত হ'বলগীয়া মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে আঠ বজাৰ পৰা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত জ্যোতি সিঙে ভাৰতীয় জুনিয়ৰ মহিলা হকী দলৰ নেতৃত্ব বহন কৰিব। সাক্ষী ৰানা ভাৰতীয় দলৰ উপ-অধিনায়ক হ'ব। এই প্ৰতিযোগিতাত ১০ টা দলে ভাগ লৈছে। যোৱা বাৰৰ চেম্পিয়ন ভাৰতক চীন, মালয়েছিয়া, থাইলেণ্ড আৰু বাংলাদেশৰ সৈতে গ্ৰুপ-এত স্থান দিয়া হৈছে। দক্ষিণ কোৰিয়া, জাপান, চীনা টাইপে, হংকং আৰু শ্ৰীলংকাক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। জুনিয়ৰ এচিয়া কাপ হকী প্ৰতিযোগিতা অহা বছৰ ছিলিত হ'বলগীয়া এফ আই এইছ জুনিয়ৰ বিশ্বকাপৰ যোগ্যতা নিৰুপণকাৰী প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ শীৰ্ষৰ ৫টা দলে জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ খেলাৰ সুযোগ লাভ কৰিব।

০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মহিলা ক্ৰিকেট দলৰ মাজত হৈ থকা এদিনীয়া আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ দ্বিতীয়খন খেলত আজি ভাৰতৰ মহিলা ক্ৰিকেট দলটো অষ্ট্ৰেলিয়াৰ হাতত ১২২ ৰাণত পৰাস্ত হয়। ব্ৰিছবেনৰ এলেন বোৰ্ডাৰ খেলপথাৰত অনুষ্ঠিত হোৱা খেলখনত ঘৰুৱা দলটোৱে প্ৰথমে বেটিং কৰি ৮ উইকেটৰ বিনিময়ত ৩৭১ ৰাণ সংগ্ৰহ কৰে। বিপৰীতে ভাৰতীয় মহিলা দলটোৱে ৪৪ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৯ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ভাৰতৰ অ'পেনাৰ ৰিছা ঘোষে সৰ্বাধিক ৫৪ ৰাণ সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াই প্ৰথমখন এদিনীয়াতো ৫ উইকেটত জয়লাভ কৰিছিল। তিনিখনীয়া শৃংখলাৰ প্ৰথম দুখনতে জয়লাভ কৰি ঘৰুৱা দলটোৱে শৃংখলা দখল কৰিছে। শৃংখলাটোৰ অন্তিমখন মেচ ১১ ডিচেম্বৰত অনুষ্ঠিত হ'ব।

০০০

সমাপ্ত